# REGIONAL NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 09-08-2025

**Time : 1800** hrs

## *Assamese Evening Bulletin*

000000

জানুৱাৰীৰ পৰা অৰুণোদয় আঁচনিৰ টকা লাভ কৰা মহিলাসকলে ৰন্ধন গেছ ক্ৰয়ৰ নামত ২৫০ টকাকৈ লাভ কৰিব। তামুলপুৰ জিলাৰ বাগানপাৰাত বিজয় সংকল্প সভাত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি এই বিষয়ে ঘোষণা কৰে। তেওঁ কয়, যে নিৰ্বাচনৰ পাছত বি টি আৰত কোনো দ্বিতীয় শ্ৰেণীৰ নাগৰিক নাথাকিব আৰু সকলো নাগৰিক প্ৰথম শ্ৰেণীৰ হ'ব। বিজেপি চৰকাৰৰ দিনত বি টি আৰত উন্নয়ন হৈছে বুলি মুখ্যমন্ত্ৰীয়ে দাবী কৰে। আজিৰ সভাত সাংসদ দিলীপ শইকীয়া, মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাকে ধৰি কেইবাজনো নেতাই অংশগ্ৰহণ কৰে।

0000

ধেমাজি জিলাত নিৰ্মীয়মান সংহত ক্ৰীড়া প্ৰকল্পটো আজি মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে পৰিদৰ্শন কৰে। মন্ত্ৰীগৰাকীৰ লগতে লখিমপুৰৰ সাংসদ প্ৰদান বৰুৱা, অসম ক্ৰিকেট সংস্থাৰ সভাপতি তথা বিধায়ক তৰংগ গগৈ প্ৰমুখ্যে ক্ৰিকেট সন্থাৰ প্ৰতিনিধি আৰু কাৰিকৰী দল এই পৰিদৰ্শন কালত উপস্থিত থাকে। তেওঁলোকে প্ৰকল্পটোত নতুনকৈ নিৰ্মাণ কৰিবলৈ লোৱা খেলপথাৰ আৰু ষ্টেডিয়ামৰ স্থান পৰিদৰ্শন কৰে। শিক্ষামন্ত্ৰীগৰাকীয়ে ধেমাজিত এখন অত্যাধুনিক বি চি চি আই স্বীকৃতিপ্ৰাপ্ত ক্ৰিকেট ষ্টেডিয়াম স্থাপন কৰিবলৈ লোৱাৰ বাবে অসম ক্ৰিকেট সন্থাক ধন্যবাদ জনায়।

উল্লেখযোগ্য যে নিৰ্মীয়মান ক্ৰীড়া প্ৰকল্পটোত ফুটবল আৰু এথলেটিকছ ষ্টেডিয়ামৰ নিৰ্মাণৰ কাম দ্ৰুতগতিত চলি আছে আৰু সোনকালেই ক্ৰিকেটৰ ষ্টেডিয়াম নিৰ্মাণৰ কাম আৰম্ভ হব। প্ৰকল্পটো পৰিদৰ্শন কৰি অসম ক্ৰিকেট সন্থাৰ সভাপতি তৰংগ গগৈয়ে অহা এক-ডেৰ মাহৰ ভিতৰত ধেমাজিত ক্ৰিকেট ষ্টেডিয়াম নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰা হব বুলি উল্লেখ কৰে। ইয়াৰ বাবে অসম ক্ৰিকেট সন্থাই সমগ্ৰ পুঁজি বহন কৰিব বুলি উল্লেখ কৰে। এই ষ্টেডিয়ামত উন্নত ক্ৰিকেটৰ প্ৰশিক্ষণ আৰু বছৰজুৰি খেলিব পৰাকৈ ইনডৰ ষ্টেডিয়ামৰ সুবিধা থাকিব বুলি তেওঁ কয়।

মন্ত্ৰী ডাঃ পেগুৱে আজি ধেমাজিৰ চিলাপথাৰ বিজ্ঞান মহাবিদ্যালয়ৰ নৱাগত আদৰণি সভাতো অংশগ্ৰহণ কৰে।

0000

শৰাইঘাটৰ পুৰণি দলংখন আজি নিশা ১০ বজাৰ পৰা কাইলৈ পুৱা ৫ বজালৈ বন্ধ ৰখা হ'ব। মেৰামতিৰ কামৰ বাবে এই সময়ছোৱাত দলংখনেৰে যাতায়াত বন্ধ থাকিব বুলি উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ জনসম্পৰ্কৰক্ষী বিষয়াই প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে দলংখনৰ বিভিন্ন স্থানত হোৱা গাঁতৰ পৰিপ্ৰেক্ষিতত বিগত বহুদিন ধৰি যান-জঁটৰ সৃষ্টি হৈ আহিছে। এই সময়ছোৱাত সামগ্ৰী আৰু যাত্ৰী পৰিবাহী সকলো বাহনৰ চলাচল দলংখনেৰে বন্ধ থাকিব বুলি গুৱাহাটী যানবাহন শাখাৰ আৰক্ষী আয়ুক্তই এখন বিবৃতিযোগে প্ৰকাশ কৰিছে।

0000

লখিমপুৰ জিলাৰ উপায়ুক্ত কাৰ্যালয় সভাকক্ষত আজি জিলাখনৰ উন্নয়ন সমিতিৰ এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। চৰকাৰৰ উন্নয়নমূলক কাম-কাজসমূহ আগবঢ়াই নিয়া তথা নাগৰিকৰ কল্যাণ সুনিশ্চিত কৰাৰ উদ্দেশ্যে আয়োজিত এই সভাত জিলাখনৰ আয়ুক্ত প্ৰণৱজিত কাকতিয়ে সকলো আঁচনি সঠিকভাৱে কাৰ্যকৰী কৰাত গুৰুত্ব আৰোপ কৰে। সভাত জিলা উন্নয়ন আয়ুক্ত ৰঞ্জিত স্বৰ্গিয়াৰী ঢকুৱাখনা সমজিলাৰ আয়ুক্ত সংস্কৃতি সোমানী, অতিৰিক্ত আয়ুক্তসকলকে ধৰি জিলাখনৰ সকলো চৰকাৰী বিভাগৰ মুৰব্বী বিষয়া, খণ্ড উন্নয়ন বিষয়া আদি উপস্থিত থাকে।

0000

ভাতৃ-ভগ্নীৰ মাজৰ স্নেহ আৰু বিশ্বাসৰ পৱিত্ৰ বান্ধোনৰ উৎসৱ ৰাখী বন্ধন আজি দেশজুৰি পালন কৰা হৈছে। এই উপলক্ষে ভগ্নীসকলে পৰম্পৰাগত ৰীতি অনুসৰি ভাতৃৰ হাতত ৰং-বিৰঙী ৰাখী বান্ধি তেওঁলোকৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰে। বিনিময়ত ভাতৃসকলেও ভগ্নীসকলৰ সুৰক্ষাৰ পণ লোৱাৰ লগতে স্নেহৰ চিনস্বৰূপে উপহাৰ আগবঢ়ায়। ৰাখী বন্ধন উপলক্ষে আজি গোৱালপাৰা জিলাৰ শাস্ত্ৰী নগৰত থকা চি আৰ পি এফৰ ১৫২ নম্বৰ শিবিৰত প্ৰজাপিতা ব্ৰহ্মকুমাৰী ভগ্নীসকলে জোৱানসকলক ৰাখী পিন্ধায়। একেদৰে বিজেপিৰ গোৱালপাৰা চহৰ মণ্ডলৰ সভানেত্ৰী অপৰূপা নাথৰ নেতৃত্বত মহিলাসকলে আৰক্ষী আৰু গোৱালপাৰাৰ সাংবাদিকসকলক ৰাখী পিন্ধায়। দক্ষিণ শালমাৰা মানকাচৰ জিলা মহিলা মৰ্চাৰ উদ্যোগত আজি উলহ-মালহেৰে এই উৎসৱ পালন কৰা হয়। দেশৰ নিৰাপত্তাৰ বাবে ভাৰত-বাংলাদেশ সীমান্তত নিয়োজিত সীমান্ত সুৰক্ষা বাহিনীৰ জোৱানসকলক মহিলাসকলে ৰাখী পিন্ধাই এই দিৱস পালন কৰে। উল্লেখযোগ্য যে জিলাখনৰ সীমান্ত চেতনা মঞ্চই প্ৰতিবছৰে এই কাৰ্যসূচী

পালন কৰি আহিছে। পশ্চিম কাৰ্বিআংলং জিলাৰ বৈঠালাংছ’ৰ লাংপি শিশু বিদ্যা নিকেতনৰ শিক্ষাৰ্থীসকলে আজি কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ ১২৮ নম্বৰ ডেল্টা কোম্পানীৰ জোৱানসকলক ৰাখী পিন্ধায়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাখী বন্ধন উপলক্ষে ৰাজ্যবাসীক ওলগ জনাইছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত মুখ্যমন্ত্ৰীয়ে কয়, যে বৰ্তমান চৰকাৰে ৰাজ্যৰ প্ৰতিগৰাকী ভগ্নীৰ সুৰক্ষাৰ প্ৰতি দায়বদ্ধতাৰে কাম কৰি যাব বুলি উল্লেখ কৰে।

00000

গুৱাহাটীত আজিৰ্েপৰা ২১ আগষ্টলৈ উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমখন ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগৰ প্ৰদৰ্শনী অনুষ্ঠিত হৈছে। এই অনুষ্ঠানত হস্ত নিৰ্মিত শিল্প কৰ্ম, জনগোষ্ঠীয় বস্ত্ৰশিল্প, জৈৱিকভাৱে উৎপাদিত সামগ্ৰী প্ৰদৰ্শন আৰু মত বিনিময় কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। কালি ভাৰতীয় ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগৰ প্ৰসাৰ আয়োগৰ উত্তৰ-পূব মণ্ডলৰ এটা প্ৰতিনিধি দলে কৃষি মন্ত্ৰী অতুল বৰাক গুৱাহাটীৰ জনতা ভৱনত সাক্ষাত কৰি এই প্ৰদৰ্শনী সন্দৰ্ভত আনুষ্ঠানিকভাৱে অৱগত কৰে। মন্ত্ৰীগৰাকীয়ে এই সন্দৰ্ভত কয় যে এই পদক্ষেপে নতুন উদ্যমীসকলক উদ্যোগ খণ্ডলৈ অধিক আকৰ্ষিত কৰিব বুলি আশা কৰিব পাৰি। তেওঁ অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগখণ্ডক শক্তিশালী কৰিব পৰা এই পদক্ষেপৰ বাবে আয়োগৰ দলটোক ধন্যবাদ জ্ঞাপন কৰে।

0000

অসমে ৫১ সংখ্যক জুনিয়ৰ ৰাষ্ট্ৰীয় জল ক্ৰীড়া প্ৰতিযোগিতাত ১০ টা পদকেৰে ৰাষ্ট্ৰীয় পৰ্যায়ত সপ্তম স্থান লাভ কৰিছে। এই প্ৰতিযোগিতাত অসমৰ তীৰ্থাংক পেগুৱে ল’ৰাৰ গ্ৰুপ ৱানৰ ২০০ মিটাৰ বাটাৰফ্লাইত আৰু প্ৰয়াস গগৈয়ে ল’ৰাৰ গ্ৰুপ টুৰ ৫০ মিটাৰ FREE STYLE শিতানত সোণৰ পদক লাভ কৰিছে। জ্ঞানদীপ বৰগোহাঁয়ে ল’ৰাৰ গ্ৰুপ টুৰ ১০০ আৰু ২০০ মিটাৰ BACK STROKE-ত ব্ৰঞ্জৰ পদক অৰ্জন কৰি ৰাজ্যলৈ গৌৰৱ কঢ়িয়াই আনিছে। একেদৰে প্ৰয়াস গগৈয়ে ল’ৰাৰ গ্ৰুপ টুৰ ১০০ মিটাৰ FREE STYLE ত ৰূপৰ আৰু একেই শিতানৰ ২০০ আৰু ৪০০ মিটাৰ FREE STYLE ত ব্ৰঞ্জৰ পদক লাভ কৰে। জ্ঞানদীপ, আহ্লাদ, সূৰ্য আৰু প্ৰয়াসে 4 x 100 মিটাৰ মেডলি ৰীলেত ৰূপৰ আৰু 4 x 100 মিটাৰ FREE STYLE ৰীলেত ব্ৰঞ্জৰ পদক হস্তগত কৰে।

00000

সমাপ্ত